DAILY ASSAM

# কৰুণতম

ড° নিৰ্মলপ্ৰভা বৰদলৈ

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

অসমীয়া আধুনিক কবিতাৰ ক্ষেত্ৰত ড° নিৰ্মলপ্ৰভা বৰদলৈৰ এখন সুকীয়া আসন আছে। লোক-জীৱনৰ আধাৰতো যে সাৰ্থক কবিতা সৃষ্টি কৰিব পাৰি, সেই বোধ জন্মোৱাৰ উদ্দেশ্যে এই কবিতাটি নিৰ্বাচন কৰা হৈছে।

**কবি পৰিচিতি ঃ**

১৯৩৩ চনত শিৱসাগৰত ড° নিৰ্মলপ্ৰভা বৰদলৈৰ জন্ম হয়। সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ পৰা বি.এ. পৰীক্ষাত উত্তীৰ্ণ হোৱা বৰদলৈয়ে ১৯৫৫ চনত অসমীয়া বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ. ডিগ্ৰী লাভ কৰে। সুদীৰ্ঘকাল গুৱাহাটীৰ বি. বৰুৱা মহাবিদ্যালয়ত অধ্যাপনা কৰাৰ পিছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা পদত নিযুক্ত হয়। এই বিশ্ববিদ্যালয়ৰ পৰাই তেওঁ জৱাহৰলাল নেহৰু আসনৰ অধ্যাপিকা হিচাপে অৱসৰ গ্ৰহণ কৰে।

নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম কবিতা পুথিখন হ'ল 'বনফৰিঙৰ ৰং'। তেওঁৰ আনকেইখন কবিতা পুথি হ'ল—'দিনৰ পাছত দিন', 'সমীপেষু', 'অন্তৰংগ', 'সুদীৰ্ঘ দিন আৰু ঋতু'। 'সোণবৰণীয়া আই' আৰু 'সুৰীয়া মাত' তেওঁৰ গীতৰ পুথি। 'দেৱী', 'শিৱ' আৰু 'সূৰ্য্য' উল্লেখযোগ্য গৱেষণামূলক গ্ৰন্থ। ১৯৮৩ চনত 'সুদীৰ্ঘ দিন আৰু ঋতু'ৰ বাবে তেওঁ সাহিত্য অকাদেমি বঁটা লাভ কৰে।

১৯৯১ চনত দুধনৈত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাত তেওঁ সভাপতিত্ব কৰিছিল।

২০০৪ চনত ড° নিৰ্মলপ্ৰভা বৰদলৈৰ মৃত্যু হয়।

মূল পাঠ ঃ

আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকে নাকত আহি লাগিলে
মই হেৰা পাওঁ মোৰ দেউতাক।

দোকানৰ জাপ-ভঙা
গামোচাৰ সুবাসত
মই হেৰা পাওঁ মোৰ আইক।

মই মোক
মোৰ সন্তানৰ কাৰণে
ক'ত থৈ যাম
ক'ত??

**কঠিন শব্দৰ অৰ্থ ঃ**

সুবাস — ভাল গোন্ধ, সুগন্ধ।
হেৰা পাওঁ — হেৰোৱা বস্তু পাওঁ।

আহিঁ প্ৰশ্ন ঃ

(ক) **অতি চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)**

১। নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰথম কবিতা পুথিখনৰ নাম লিখা।

২। নিৰ্মলপ্ৰভা বৰদলৈয়ে কোনখন পুথিৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰে?

৩। 'কৰুণতম' কবিতাটো কবিৰ কোনখন কবিতা পুথিত সংকলিত হৈছে?

৪। 'কৰুণতম' কোন শ্ৰেণীৰ কবিতা?

৫। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ এটি বৈশিষ্ট্য লিখা।

**(খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)**

১। নিৰ্মলপ্ৰভা বৰদলৈৰ তিনিখন কবিতা পুথিৰ নাম লিখা।

২। নিৰ্মলপ্ৰভা বৰদলৈৰ দুখন গীতৰ পুথিৰ নাম লিখা।

৩। নিৰ্মলপ্ৰভা বৰদলৈৰ গৱেষণামূলক গ্ৰন্থ তিনিখনৰ নাম লিখা।

৪। 'কৰুণতম' আৰু সুবাস' শব্দ দুটাৰ অৰ্থ লিখা।

৫। 'কৰুণতম' কবিতাৰ আধাৰত আধুনিক কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

**(গ) দীঘল প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)**

১। 'কৰুণতম' কবিতাৰ নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰা।

২। 'কৰুণতম' কবিতাত কবিৰ পিতৃ-মাতৃৰ প্ৰতি গভীৰ শ্ৰদ্ধা প্ৰকাশ পাইছে নেকি বিচাৰ কৰা।

৩। 'কৰুণতম' কবিতাত কবিৰ অন্তৰৰ গভীৰ দুখবোধ কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰা।

৪। 'কৰুণতম' কবিতাত প্ৰকাৰান্তৰে গ্ৰাম্য জীৱন আৰু নগৰীয়া জীৱনৰ সংঘাতৰ চিত্ৰ অংকন হোৱা বুলি ক'ব পাৰি নেকি বিচাৰ কৰা।

৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা।

মই মোক<br>
মোৰ সন্তানৰ কাৰণে<br>
ক'ত থৈ যাম<br>
ক'ত??

**পাঠবোধ ঃ**

আহিনৰ পথাৰৰ গোন্ধ পালে কবিৰ পিতৃৰ স্মৃতি জাগ্ৰত হয়। কাৰণ কবিৰ পিতৃ কৃষক আছিল। কৃষি-কৰ্মৰে তেওঁ জীৱন-জীৱিকা চলাইছিল। সেই দৰে

দোকানৰ জাপ-ভঙা গামোচাৰ সুবাসে কবিৰ মনত মাতৃ-স্মৃতি জাগ্রত কৰে। কবিৰ মাতৃ শিপিনী আছিল। কবিৰ পিতৃ-মাতৃয়ে (অৰ্থাৎ পূৰ্ব প্ৰজন্মই) নিৰ্দিষ্ট কৰ্মৰে সময়ৰ বুকুত স্বাক্ষৰ ৰাখি গৈছে। কবিয়ে নিজৰ সন্তান (ভৱিষ্যৎ প্ৰজন্ম)ৰ বাবে কোনো কৃতি এৰি যাব নোৱাৰিব বুলি দুখ প্ৰকাশ কৰিছে।

**ওপৰঞ্চি তথ্য ঃ**

'করুণতম' নামৰ কবিতাটো বৰদলৈৰ 'দিনৰ পাছত দিন' নামৰ কাব্য পুথিখনৰ অন্তৰ্গত। নিৰ্মলপ্ৰভা বৰদলৈ এগৰাকী সফল গীতিকাৰ। গীত আৰু কবিতাত তেওঁ ব্যৱহাৰ কৰা শব্দ-সজ্জাই পাঠকক তীব্ৰভাৱে আকৰ্ষণ কৰে। চুটি চুটি কাব্যিক বাক্যৰে মনৰ ভাব প্ৰকাশ কৰাত তেওঁ সিদ্ধহস্ত। নগৰীয়া জীৱনৰ প্ৰতি বিদ্বেষ আৰু গাঁৱলীয়া জীৱনৰ প্ৰতি আকৰ্ষণ তেওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট্য।

**শিক্ষকৰ প্ৰতি ঃ**

নিৰ্মলপ্ৰভা বৰদলৈয়ে ৰচনা কৰা গীতসমূহৰ আভাস দিব আৰু সুবিধা অনুযায়ী সেইবোৰ গীত পৰিৱেশনৰ ব্যৱস্থা কৰিব।

●●●